মোক নিৰ্দেশ দিয়া হৈছে, মই যেন মানুহৰ সৈতে তেতিয়ালৈকে যুদ্ধ কৰোঁ যেতিয়ালৈকে সিহঁতে এই সাক্ষ্য প্ৰদান নকৰিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। এইদৰে যেতিয়ালৈকে সিহঁতে নামাজ প্ৰতিষ্ঠা নকৰিব আৰু জাকাত আদায় নকৰিব।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোক নিৰ্দেশ দিয়া হৈছে, মই যেন মানুহৰ সৈতে তেতিয়ালৈকে যুদ্ধ কৰোঁ যেতিয়ালৈকে সিহঁতে এই সাক্ষ্য প্ৰদান নকৰিব যে, আল্লাহৰ বাহিৰে আন কোনো
সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। এইদৰে যেতিয়ালৈকে সিহঁতে নামাজ প্ৰতিষ্ঠা নকৰিব আৰু জাকাত আদায় নকৰিব। যেতিয়া
সিহঁতে এইখিনি কাম কৰিব, তেতিয়াহে সিহঁতৰ তেজ, ধন-সম্পদ মোৰ ফালৰ পৰা সুৰক্ষিত
থাকিব। কিন্তু ইছলামৰ বিধান অনুযায়ী যদি কোনো কাৰণত কিবা হয় তেন্তে সেয়া সুকীয়া বিষয়। আনহাতে সিহঁতৰ হিচাপ নিকাচৰ দায়িত্ব হৈছে আল্লাহৰ ওপৰত।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে তেখেতক মুশ্বৰিকসকলৰ সৈতে যুদ্ধ কৰাৰ নিৰ্দেশ দিছে, যেতিয়ালৈকে সিহঁতে এই কথাৰ সাক্ষ্য প্ৰদান নকৰিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। লগতে এই সাক্ষ্য অনুযায়ী যেতিয়ালৈকে আমল নকৰিব তথা দিনে ৰাতি পাঁচ ওৱাক্ত চালাত আদায় নকৰিব আৰু ফৰজ জাকাত হিতাধিকাৰীলৈ আদায় নিদিব। যদি সিহঁতে এইবোৰ কাম কৰে, তেন্তে ইছলামে সিহঁতৰ তেজ আৰু ধন-সম্পদ সুৰক্ষাৰ দায়িত্ব লব। তেতিয়া সিহঁতৰ সৈতে যুদ্ধ কৰা বৈধ নহয়। কিন্তু যদি কোনো গুৰুতৰ অপৰাধ কৰে অথবা কাৰোবাক হত্যা কৰে তেন্তে ইছলামৰ বিধান অনুযায়ী সি মৃত্যুদণ্ডৰে দণ্ডিত হ'ব। তাৰ পিছত ক্বিয়ামতৰ দিনা তাৰ হিচাপ নিকাচ আল্লাহে কৰিব, কাৰণ তেৱেঁই গোপন তথ্য সম্পৰ্কে অৱগত।

http://www.sunnah.global/hadeeth/as/show/4211